NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

**HEADLINES**

০০০০০০০০০

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক্-সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

২। আৱাসিক চিকিৎসক সংস্থা সংঘই কলকাতাৰ এগৰাকী চিকিৎসকৰ হত্যাৰ প্ৰতিবাদত আহ্বান জনোৱা ধৰ্মঘট প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লৈছে।

৩। ডি আৰ ডি অ'ই ভাৰতীয় বায়ুসেনাৰ চুখ'য়-থাৰ্টী এম কে - ওৱান শ্ৰেণীৰ বিমানৰ পৰা গৌৰৱ নামৰ দীৰ্ঘদূৰত্ব ভেদি গ্লাইড বোমাৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰিছে।

৪। ভাৰত আৰু অষ্ট্ৰেলিয়াই সকলো ধৰণৰ সন্ত্ৰাসবাদক গৰিহণা দিছে।

***আৰু***

৫। ক্ৰীড়া ছালিচি আদালতৰ অস্থায়ী খণ্ড বিচাৰপীঠে ৱিনেশ ফোগটৰ আবেদনৰ ৰায়দান পুনৰ স্থগিত ৰাখিছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে  ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ আজি প্ৰাক্-সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীৰ ৰাষ্ট্ৰীয় নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেলযোগে সন্ধিয়া সাত বজাত প্ৰথমে হিন্দীত আৰু পাছত ইংৰাজীত এই ভাষণ প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনে ইয়াৰ পাছতে ৰাষ্ট্ৰপতিৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত আকাশবাণী গুৱাহাটীৰ বাতৰি প্ৰচাৰৰ সময় কিছু সালসলনি কৰা হৈছে। এই অনুসৰি আজি ৰাষ্ট্ৰপতি মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি দিবলগীয়া ভাষণৰ পৰিপ্ৰেক্ষিতত সন্ধিয়া সাত বাজি ১০ মিনিটৰ বাতৰি সাত বাজি ৪০ মিনিটত আৰু জিলাৰ ৰেহৰূপ সাত বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। আনহাতে কাইলৈ পুৱা সাত বাজি পাঁচ মিনিটৰ বাতৰি ছয় বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। আনহাতে পুৱা ৯ বজাত ৰাজ্যপালৰ ভাষণ আৰু নিশা চাৰে ৯ বজাত প্ৰধানমন্ত্ৰীৰ ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৰুণাচল প্ৰদেশত হৰ ঘৰ তিৰঙা অভিযানৰ অধীনত ছশ ফুট দৈৰ্ঘ্যৰ ভাৰতীয় ৰাষ্ট্ৰীয় পতাকা কঢ়িয়াই উলিওৱা ৰেলীক লৈ আনন্দ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে অৰুণাচল প্ৰদেশ এনে এখন ৰাজ্য য'ত প্ৰতিজন নাগৰিকৰ হৃদয়ত দেশপ্ৰেম গভীৰভাৱে শিপাই আছে আৰু ৰাজ্যখনৰ সজীৱ সাংস্কৃতিক ঐতিহ্যত ইয়াৰ স্পষ্ট প্ৰতিফলন ঘটে ।হৰ ঘৰ তিৰংগা অভিযানৰ প্ৰতি এনে উৎসাহ দেখি আনন্দিত হৈছো বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে দিল্লীৰ লালকিল্লাত আয়োজিত ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ মহিলা প্ৰতিনিধিকে ধৰি সমগ্ৰ দেশৰ ৪০০ গৰাকী প্ৰতিনিধিক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনাইছে। ইপিনে, পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি নতুন দিল্লীত পঞ্চায়তৰ নেত্ৰীসকলৰ বাবে এখন ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰিছে। এই কৰ্মশালাত পঞ্চায়তত নেত্ৰীসকলৰ প্ৰত্যাহ্বান আৰু সুযোগ, সাফল্যগাথা আৰু স্থানীয় প্ৰশাসনত মহিলাৰ অংশগ্ৰহণ বৃদ্ধিৰ ৰণনীতি সম্পৰ্কে আলোচনা কৰা হ'ব। স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা সকলো প্ৰতিনিধিয়ে এই কৰ্মশালাত ভাগ ল'ব। কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং আৰু পঞ্চায়ত ৰাজ্য মন্ত্ৰী প্ৰফেচাৰ এছ্ পি সিং বাঘেলে আজি এই আমন্ত্ৰিত প্ৰতিনিধিসকলক সম্বৰ্ধনা জনাব। অনুষ্ঠানত ভাষিনী এপৰ সহযোগত ই-গ্ৰাম স্বৰাজ নামৰ বহুভাষিক মঞ্চ মুকলি কৰা হ'ব। এই উদ্যমে প'ৰ্টেলটো অধিসূচিত ২২ টা ভাৰতীয় ভাষাৰ আটাইকেইটাতে চাব পৰা হ'ব।

ooooooooo

নতুন দিল্লীৰ লালকিল্লাত আয়োজিত ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ সাক্ষী হ'বলৈ মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰি থকা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ **১৬১** গৰাকী ক্ষেত্ৰ কৰ্মীক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ তথ্য অনুসৰি অংগনবাড়ী, সখী একক অৱস্থান কেন্দ্ৰ, সংকল্প: মহিলা সৱলীকৰণ কেন্দ্ৰ, শিশু কল্যাণ সমিতি আৰু জিলা শিশু সুৰক্ষা গোটৰ নিৰ্বাচিত মহিলা কৰ্মীসকলক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে, মহিলা আৰু শিশুসকলক সবলীকৰণৰ দিশত আগবঢোৱা প্ৰচেষ্টাৰ স্বীকৃতি স্বৰূপে এই বিশেষ অতিথিসকলক আমন্ত্ৰণ জনোৱা হৈছে।

ooooooooo

আৱাসিক চিকিৎসক সংস্থা সংঘই কলকাতাৰ এগৰাকী চিকিৎসকৰ হত্যাৰ প্ৰতিবাদত আহ্বান জনোৱা ধৰ্মঘট প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লৈছে। আৱাসিক চিকিৎসক সংস্থা সংঘৰ প্ৰতিনিধি আৰু কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাৰ মাজত কালি নতুন দিল্লীত হোৱা বৈঠকত এই মৰ্মে এটা সিদ্ধান্ত লোৱা হয়। সমগ্ৰ দেশৰ চিকিৎসকসকলে কলকাতাৰ ঘটনাক লৈ সোমবাৰৰে পৰা ধৰ্মঘট কৰি আছিল। বৈঠকৰ অন্তত সংবাদিকৰ

সৈতে হোৱা কথা-বতৰাত আৱাসিক চিকিৎসক সংস্থা সংঘৰ অধ্যক্ষ অৱিৰল মাথুৰে কয় যে নিৰ্ধাৰিত সময়ত তেওঁলোকৰ দাবীসমূহ পূৰণ কৰিব বুলি স্বাস্থ্য মন্ত্ৰীয়ে আশ্বাস দিছে। তেওঁ কয় যে তেওঁলোকৰ দাবীসমূহ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত সংঘই ধৰ্মঘট প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লৈছে।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আৱাসিক চিকিৎসক সংস্থা সংঘই ধৰ্মঘট উঠাই লোৱাৰ বাবে লোৱা সিদ্ধান্তৰ প্ৰতি আদৰণি জনাইছে। স্বাস্থ্য মন্ত্ৰালয়ে নিৰাপদ আৰু কামৰ সুস্থ বাতাবৰণ সুনিশ্চিত কৰাৰ বাবে চিকিৎসকসকলৰ উদ্বেগসমূহ দূৰ কৰিব বুলি শ্ৰীনাড্ডাই আশ্বাস দিয়ে।

০০০০০০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা ডি আৰ ডি অ'ই ভাৰতীয় বায়ুসেনাৰ চুখ'য়-থাৰ্টি এম কে - ওৱান শ্ৰেণীৰ বিমানৰ পৰা গৌৰৱ নামৰ দীৰ্ঘদূৰত্ব ভেদি গ্লাইড বোমাৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে ওড়িশাৰ উপকূল ভাগৰ সমীপত এহেজাৰ কিলোগ্ৰামৰ শ্ৰেণীৰ এই দীৰ্ঘদূৰত্ব ভেদি বোমাৰ পৰীক্ষণ সম্পন্ন কৰা হৈছে। হায়দৰাবাদৰ ইমাৰট গৱেষণা কেন্দ্ৰই এই বোমাটো বিকশাই তুলিছে। বিমানৰ পৰা কৰা পৰীক্ষণৰ সময়ত হুইলাৰ্ছ দ্বীপৰ লক্ষ্যত নিখুঁতভাৱে আঘাত হানে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ', ভাৰতীয় বায়ুসেনা বাহিনী আৰু উদ্যোগ খণ্ডক অভিনন্দন জনাইছে। তেওঁ এই সাফল্যক সশস্ত্ৰ বাহিনীসমূহৰ সামৰ্থ্য বৃদ্ধিৰ বাবে থলুৱা প্ৰতিৰক্ষা প্ৰযুক্তিৰ বিকাশৰ বাবে চলোৱা প্ৰচেষ্টাৰ এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰিছে।

০০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াই সকলো ধৰণৰ সন্ত্ৰাসবাদক গৰিহণা দিছে আৰু সন্ত্ৰাসবাদক সমূলাঞ্চে উৎখাত কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সুদৃঢ় কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত ভাৰত-অষ্ট্ৰেলিয়াৰ সন্ত্ৰাসবাদ প্ৰতিৰোধী যুটীয়া কাৰ্যগোটৰ চতুৰ্দশ বৈঠকৰ অন্তত দুয়োখন দেশে এইদৰে বিবৃতি দিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে দুয়ো পক্ষই সীমান্তৰে সন্ত্ৰাসবাদ চলোৱাৰ বাবে ছদ্মবেশী সন্ত্ৰাসবাদী ব্যৱহাৰক গৰিহণা দিছে। দুয়োখন দেশে লগতে ঘৰুৱা, আঞ্চলিক আৰু গোলকীয় সন্ত্ৰাসবাদৰ ভাবুকিৰ মূল্যায়ন সন্দৰ্ভতো মত-বিনিময় কৰে। আলোচনাত সন্ত্ৰাসবাদীৰ দ্বাৰা নতুন আৰু উদীয়মান প্ৰযুক্তি ব্যৱহাৰ, সন্ত্ৰাসবাদী গতিবিধিৰ বাবে ইণ্টাৰনেটৰ অপব্যৱহাৰ, মৌলবাদ , সন্ত্ৰাসবাদৰ বাবে পুঁজি যোগান, সংগঠিত অপৰাধ আৰু সন্ত্ৰাসবাদৰ মাজত যোগসূত্ৰৰ লেখিয়া বিষয়সমূহে স্থান লাভ কৰে। বিদেশ মন্ত্ৰালয়ৰ সন্ত্ৰাসবাদ প্ৰতিহতকৰণ বিষয়ৰ যুটীয়া সচিব কে ডি দেৱল আৰু অষ্ট্ৰেলিয়াৰ বিদেশ পৰিক্ৰমা তথা বাণিজ্য বিভাগৰ সন্ত্ৰাসবাদ প্ৰতিহতকৰণৰ দূত ৰিছাৰ্ড ফিকেছে এই আলোচনাত নিজ নিজ দেশক প্ৰতিনিধিত্ব কৰে।

০০০০০০০০০

ভাৰতীয় নিৰ্বাচন আয়োগে হাৰিয়ানা আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা আনুষ্ঠানিক প্ৰেছ বিজ্ঞপ্তি অনুসৰি, কালি নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু এছ এছ সন্ধুৰ সৈতে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে চণ্ডীগড়ৰ হাৰিয়ানাত আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে প্ৰস্তুতিৰ বিশদ পৰ্যালোচনা

কৰে। ৩ নৱেম্বৰত হাৰিয়ানাত ৰাজ্যিক বিধানসভাৰ কাৰ্যকাল অন্ত পৰিব আৰু ৰাজ্যখনৰ ৯০টা বিধানসভা সমষ্টিত নিৰ্বাচনৰ দিন ধাৰ্য কৰা হৈছে। আয়োগৰ দুদিনীয়া পৰ্যালোচনা ভ্ৰমণৰ সময়ত আম আদমী পাৰ্টি, ভাৰতীয় জনতা পাৰ্টি, ভাৰতীয় মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি , ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতীয় জাতীয় লোকদল, আৰু জান্নয়ক জনতা পাৰ্টিকে ধৰি ৰাষ্ট্ৰীয় আৰু আণ্চলিক* দলসমূহৰ প্ৰতিনিধিসকলে আয়োগক সাক্ষাৎ কৰে। আয়োগে ৰাজনৈতিক দলসমূহৰ পৰামৰ্শৰ প্ৰতি লক্ষ্য ৰাখিছে বুলি আশ্বাস প্ৰদান কৰে। ৰাজ্যখনত মুক্ত, নিকা, সৰ্বাংগীন, শান্তিপূৰ্ণ, আৰু প্ৰৰোচনামুক্ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্বাচন আয়োগ প্ৰতিশ্ৰুতিবদ্ধ বুলি বিজ্ঞপ্তিযোগে প্ৰকাশ কৰা হয়।

০০০০০০০০০

ক্ৰীড়া ছালিচি আদালতৰ অস্থায়ী খণ্ড বিচাৰপীঠে পেৰিছ অলিম্পিকৰ মহিলাৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ মল্লযুদ্ধৰ ফাইনেলৰ বাবে অযোগ্য ঘোষণা কৰাৰ বিৰুদ্ধে ৱিনেশ ফোগটে জনোৱা আবেদনৰ ৰায়দান পুনৰ স্থগিত ৰাখিছে। সেই অনুসাৰে বিচাৰপীঠখনে ১৬ আগষ্টত ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত এই সন্দৰ্ভত ৰায়দান কৰিব। ক্ৰীড়া ছালিচি ন্যায়ালয়ে পূৰ্বৰ সূচী অনুসৰি যোৱা নিশা ৰায়দান কৰাৰ কথা আছিল।

উল্লেখযোগ্য যে ফাইনেলৰ দিনা পুৱা ৱিনেশ ফোগটৰ ওজন নিৰ্ধাৰিত সীমাতকৈ ১০০ গ্ৰাম অধিক পোৱা গৈছিল আৰু ইয়াৰ বাবে ভাৰতীয় মল্লযোদ্ধাগৰাকীক অযোগ্য ঘোষণা কৰা হৈছিল। ফোগটে অযোগ্য ঘোষণা কৰা কাৰ্যৰ বিৰুদ্ধে ক্ৰীড়া ছালিচি আদালতৰ কাষ চাপিছিল আৰু যুটীয়াভাৱে ৰূপৰ পদক প্ৰদান কৰিবলৈ অনুৰোধ জনাইছিল।

০০০০০০০০০

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেই প্ৰাকৃতিক দুৰ্যোগ প্ৰতিৰোধৰ সৈতে জড়িত ১৯৫০টা প্ৰকল্প হাতত লোৱাৰ বাবে ২৭৬৬ কোটি টকাৰ পুঁজিৰ অনুমোদন জনাইছে। এই কামসমূহৰ ভিতৰত ভূমিস্খলন আৰু বানপানীৰ বিৰুদ্ধে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ, নলা নিৰ্মাণ আৰু খনন, বনানীকৰণ, পুখুৰী খনন, দলং নিৰ্মাণ আৰু মেৰামতি আদি অন্তৰ্ভুক্ত হৈ আছে। কালি মুম্বাইত মহাৰাষ্ট্ৰ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ এখন বৈঠকৰ অধ্যক্ষতা কৰি শ্ৰীসিন্দেই কয় যে প্ৰশাসনে কামৰ মান আৰু সময়মতে কাম সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিব লাগিব। তেওঁ লগতে কয় যে সকলো পৰিস্থিতিত নাগৰিকৰ জীৱন সুৰক্ষাৰ বাবে আধুনিক প্ৰযুক্তি গ্ৰহণ কৰিব লাগিব। বৈঠকৰ সময়ত ৰাজ্যিক সচিবালয়ৰ জৰুৰীকালীন পৰিচালনা কেন্দ্ৰ আৰু জিলা পৰ্যায়ৰ কেন্দ্ৰসমূহো উন্নীতকৰণৰ সিদ্ধান্তত অনুমোদন জনোৱা হয়।

০০০০০০০০০

**সমাপ্ত**